সম্পাদকীয়

- পাপৰি দত্ত

"There is sufficiency in the world for man's need but not for man's greed" - Mohandas K. Gandhi

জাতিৰ পিতা মহাত্মা গান্ধীয়ে কোৱাৰ দৰে প্ৰকৃতিয়ে আমাক লাগতিয়াল সকলোখিনি সম্পদেই দিছে, কিন্তু মানুহে নিজৰ লোভৰ বাবে লাগতিয়াল সম্পদখিনিৰ উপৰি প্ৰকৃতিৰ পৰা অধিক সম্পদ আহৰণ কৰিবলৈ গৈ প্ৰকৃতিৰ লগতে নিজৰো বিপদ চপাই আনিছে।

যোৱা বছৰ মৰুভূমিৰ দেশ বুলি খ্যাত মধ্যপ্ৰাচ্যৰ এখন দেশ ইউনাইটেড আৰব এমিৰেটচৰ দুখন চহৰ ডুবাই আৰু আবুধাবি যোৱাৰ সুযোগ পাইছিলোঁ। ডুবাই আৰু আবুধাবি বৰ্তমান বিশ্বৰ লেখত ল'বলগীয়া চহৰৰ ভিতৰত পৰে। অতি উন্নত মানৰ আধুনিক অট্টালিকা আৰু সা-সুবিধাৰে ভৰপুৰ এই দুইখন চহৰ। এই দুয়োখন চহৰ মৰভূমিৰ বালিৰে সাগৰৰ পানীক ঢাকি সজোৱা হৈছে, অৰ্থাৎ মানুহে আধুনিক টেকন'লজীৰ সহায়ত এনেহেন চহৰক সৃষ্টি কৰিছে। বিশ্বৰ ধনী মানুহৰ বাসস্থান বুলি বিখ্যাত ডুবাইৰ পাম জুমেইৰাকো এনেদৰে কৃত্ৰিমভাৱে তৈয়াৰ কৰা হৈছে। কংক্ৰিটেৰে ভৰি আছে চহৰ কেইখন। খাৰুৱা তেলৰ বাদে বাকী প্ৰাকৃতিক সম্পদ নাই বুলিয়ে ক'ব পাৰি, আৰু সেয়ে দুইখন চহৰৰ অৰ্থনীতি মূলতে নিৰ্ভৰশীল পৰ্যটন আৰু খাৰুৱা তেলৰ ওপৰতে।

তাত আমাৰ দেশৰ দৰে প্ৰাকৃতিকভাৱে বৰষুণ নহয়, কৃত্ৰিমভাৱে, মানে ক্লাউড চিডিঙৰ জৰিয়তে পানীৰ অভাৱ পুৰাবৰ বাবে বৰষুণ কৰোৱা হয়। সেইবাবেই বৰষুণৰ জাননী নাগৰিকক আগতীয়াকৈ দিয়া হয়। কিন্তু এনে প্ৰতিকুল প্ৰাকৃতিক পৰিৱেশতো মানুহে সৃষ্টি কৰিছে সুন্দৰ চহৰবোৰৰ, যিবোৰ চহৰ এতিয়া গছ-গছনিৰে ভৰি আছে। ডুবাই পাৰ হৈ আবুধাবিত সোমালেই দেখা পোৱা যায় সুন্দৰ গছ-গছনি। তাৰ প্ৰাকৃতিক পৰিৱেশ ধৰি ৰাখিবৰ বাবে চৰকাৰৰ অধীনত বিভিন্ন গৱেষণামূলক কাম আৰম্ভ কৰিছে । ডুবাইত থকা মিউজিয়াম অফ ফিউচাৰলৈ গ'লেই ভৱিষ্যতৰ সুৰক্ষাৰ বাবে আমি কেনেধৰণৰ কাম কৰিব পাৰোঁ অথবা কৰিব লাগিব তাৰ এটি আভাস পোৱা যায়। মূল মিউজিয়ামটোত সোমোৱাৰ আগতেই স্পেচক্ৰাফ্টেৰে লৈ যোৱা হয় ২০৭১ চনৰ পৃথিৱীখনলৈ আৰু দেখুৱা হয় সেই সময়ৰ এক আনুমানিক পৰিৱেশ তন্ত্ৰ আৰু জৈৱ অভিযান্ত্ৰিকীকৰণ (ecosystems and bioengineering)। মিউজিয়ামৰ এটি অংশত বিশ্বৰ ৪৫০০ ৰো অধিক প্ৰজাতিৰ ডি এন এ কাচৰ জাৰত সংৰক্ষণ কৰা দেখুৱা হৈছে। এনেবোৰ কামৰ মূল লক্ষ্য হৈছে বৰ্তমানক ভৱিষ্যতৰ বাবে সংৰক্ষন কৰি ৰখা।

এনে দেশৰ পৰা শিকিবলগীয়া বহুত কথাই আছে। আমাৰ দেশ প্ৰাকৃতিকভাৱে সমৃদ্ধিশালী; কিন্তু আমি প্ৰকৃতিৰ ওপৰত অহৰহ চলোৱা অত্যাচাৰে আমাৰ ভৱিষ্যতৰ বাবে বিপদ কঢ়িয়াই আনিছে বুলি ক'ব পাৰোঁ।

প্ৰত্যেক বছৰৰ দৰে এইবাৰো বিশ্ব পৰিৱেশ দিৱস ৫ জুনত অনুষ্ঠিত কৰা হ'ব এটি নতুন লক্ষ্য লৈ, অৰ্থাৎ ২০২৪ বৰ্ষৰ থিমটো হৈছে "ভূমি পুনৰুদ্ধাৰ, মৰুভূমি আৰু খৰাং স্থিতিস্থাপকতা" (land restoration, desertification and drought resilience) আৰু মূল শ্লোগানটো হৈছে

"আমাৰ মাটি। আমাৰ ভৱিষ্যত। আমি # প্ৰজন্মপুনৰুদ্ধাৰকাৰী" (Our land. Our future. We are #GenerationRestoration)। এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ আয়োজক দেশ হৈছে মধ্যপ্ৰাচ্যৰ আন এখন চহকী দেশ চৌডি আৰবীয়া।

আহক আমিও এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ শ্লোগানটোৰ সুপ্ৰয়োগ কৰি ভৱিষ্যতৰ প্ৰজন্মলৈ বসবাসৰ উপযোগী এখন সুন্দৰ পৃথিৱী দি থৈ যাওঁ।